# পাঠ নং ১৩
# বৈদিক সভ্যতা

**মূল অৰ্হতা ঃ**

- আৰ্যসকলৰ ভাৰতলৈ আগমন সম্পৰ্কে ধাৰণা লাভ কৰা।
- আৰ্যসকলৰ আদি বাসস্থান সম্পৰ্কে অৱগত হোৱা।
- বৈদিক সংস্কৃতিৰ বিষয়ে জানিব পৰা।
- বৈদিক যুগৰ আৰ্থ-সামাজিক ব্যৱস্থাৰ বিষয়ে সম্যক ধাৰণা লাভ কৰা।
- বৈদিক যুগত গঢ় লৈ উঠা ধৰ্ম-সংস্কৃতি, সাহিত্যৰ বিষয়ে থূলমূল আভাস পোৱা।
- পৰৱৰ্তী বৈদিক যুগৰ বিষয়ে সাধাৰণ ধাৰণা লাভ কৰা।

সুকন্যা গুৱাহাটীৰ মোমায়েকৰ ঘৰলৈ ফুৰিবলৈ আহিছিল। এদিন আইতাকৰ লগত ফুৰিবলৈ যাওঁতে সুকন্যাই ৰাস্তাৰ কাষতে থকা 'বেদ বিদ্যালয়'খন দেখা পালে। বিদ্যালয়খনৰ নামটো পঢ়ি তাইৰ বৰ কৌতূহল হ'ল আৰু আইতাকক সুধিলে— 'আইতা', স্কুলখনৰ নাম 'বেদ বিদ্যালয়' কিয় হ'ল? উত্তৰত আইতাকে ক'লে— 'বেদকে আদি কৰি প্ৰাচীন ভাৰতীয় ধৰ্ম গ্ৰন্থবোৰৰ বিষয়ে বিশেষভাৱে ইয়াত শিক্ষা দিয়া হয় বাবে ইয়াৰ নাম 'বেদ বিদ্যালয়' ৰাখিছে।



ভাৰত উপ-মহাদেশৰ আনুমানিক মানচিত্ৰ

ছাত্ৰ-ছাত্ৰী সকল এতিয়া তোমালোকৰ মনত নিশ্চয় এটা প্ৰশ্ন জাগিছে **বেদ** কি? আহাচোন আজি আমি বেদৰ বিষয়ে থোৰতে কিছু কথা জানি থওঁ। বেদৰ বিষয়ে জনাৰ আগতে কি পৰিস্থিতিত বেদসমূহ ৰচনা কৰিছিল সেই বিষয়ে জনাটোও দৰকাৰ। আজিৰ পৰা প্ৰায় ৩৫০০ বছৰমান আগতে (প্ৰায় ১৫০০ খৃঃ পূঃ) ভাৰতৰ উত্তৰ-পশ্চিম দিশৰ পৰা কিছুমান পশুপালক মানুহে দলে দলে আহি ভাৰত উপ-মহাদেশত সোমাইছিলহি। আগৰ পাঠত তোমালোকে পাই আহিছা যে ভাৰতৰ উত্তৰ-পশ্চিম সীমান্তত থকা সিন্ধু নদীৰ উপত্যকাত এটা নগৰীয়া সভ্যতাই গঢ় লৈ উঠিছিল। কালক্ৰমত সেই সভ্যতাৰ পতনো হৈছিল। যদিও সেই সভ্যতাৰ পতন হৈছিল তথাপিও তাৰ ওচৰ-পাজৰৰ গাঁও অঞ্চলত স্বাভাৱিক জীৱন যাত্ৰা চলি


আছিল। নতুনকৈ অহা এই লোকসকলে ক্রমান্বয়ে সিন্ধু উপত্যকাৰ (সপ্তসিন্ধু অঞ্চলৰ) গাঁওবোৰৰ আশে পাশে থকা ঠাইবোৰত বসতি আৰম্ভ কৰে। এওঁলোকে নিজকে **'আৰ্য'** বুলি পৰিচয় দিছিল। এই আৰ্যসকলে গঢ়ি তোলা সভ্যতাটোকে ইতিহাসত **বৈদিক সভ্যতা বা বৈদিক যুগ** বুলি কোৱা হয়। ইতিহাসবিদসকলে বৈদিক সভ্যতা বা বৈদিক যুগৰ আনুমানিক সময় খৃঃ পূঃ ১৫০০ ৰ পৰা খৃঃ পূঃ ৬০০ বুলি ধাৰণা কৰিছে। বৈদিক যুগক দুটা ভাগত ভাগ কৰা হৈছে। (১) ঋক্ বৈদিক যুগ (খৃঃ পূঃ ১৫০০ ৰ পৰা খৃঃ পূঃ ১০০০লৈ) আৰু (২) পৰৱৰ্তী বৈদিক যুগ (খৃঃ পূঃ ১০০০ ৰ পৰা খৃঃ পূঃ ৬০০লৈ)। তলৰ এছিয়া মহাদেশৰ মানচিত্ৰখন চালে আৰ্যসকলৰ আগমন আৰু আদি বসতি সম্পৰ্কে এটি ধাৰণা পাবা।

**জানি থওঁ আহা ঃ**

সিন্ধু উপত্যকাৰ সভ্যতা উদঘাটন হোৱাৰ পূৰ্বে বৈদিক সভ্যতাকে ভাৰতৰ প্ৰাচীনতম সভ্যতা বুলি ভবা হৈছিল।

### আৰ্যসকলৰ মূল বাসস্থান ঃ

আৰ্যসকলৰ পূৰ্ব পুৰুষসকল সম্ভৱতঃ মধ্য এছিয়াৰ কৃষ্ণ সাগৰ আৰু কাস্পিয়ান সাগৰৰ মাজত থকা ভূ-ভাগৰ অধিবাসী আছিল। তেওঁলোক প্ৰধানতঃ **পশুপালক** আছিল। কালক্ৰমত তেওঁলোকৰ জনসংখ্যা আৰু পশু সংখ্যা বৃদ্ধি হোৱাত নতুন নতুন ঘাঁহনি পথাৰ বিচাৰি বিভিন্ন দলত ভাগ হৈ পৃথিৱীৰ অন্যান্য ঠাইলৈ গতি কৰে। ইয়াৰে কিছু সংখ্যকে পশ্চিমলৈ আৰু কিছুমানে দক্ষিণ-পূবলৈ গতি কৰে। এনেকৈয়ে পিছলৈ আৰ্যসকলে ইউৰোপ আৰু এছিয়াৰ বিভিন্ন অঞ্চলত বিয়পি পৰে। দক্ষিণ-পূবলৈ গতি কৰা দলৰেই কিছুমানে শ শ বছৰ পিচত ইৰাণ আৰু আফগানিস্তানৰ মাজেৰে আহি ভাৰতৰ উত্তৰ-পশ্চিম প্ৰান্তত থকা সিন্ধু নদীৰ উপত্যকা অঞ্চলত বসতি আৰম্ভ কৰে। সেই সময়ত এই অঞ্চলটো **সপ্তসিন্ধু** বুলি জনাজাত আছিল।




*এচিয়া মহাদেশৰ মানচিত্ৰ (মাপনী অনুযায়ী নহয়)*

**জানি থওঁ আহা ঃ**

'সপ্তসিন্ধু' বুলিলে সিন্ধু নদী আৰু ইয়াৰ উপনৈ শতদ্ৰু (বৰ্তমান সুতলেজ), বিপাশা (বৰ্তমান বিয়াচ), ইৰাৱতী (বৰ্তমান ৰাবি), চন্দ্ৰভাগা (বৰ্তমান চিনাব), বিতস্তা (বৰ্তমান ঝিলাম) আৰু সৰস্বতী নদীক বুজায়।

এই পশুপালক লোকসকলে নিজকে আর্য বুলিছিল। এই আর্য শব্দইনো কোনখিনি মানুহক বুজায়? আর্য শব্দটো এটা গোষ্ঠীৰ নাম নাছিল; বৰঞ্চ ই একে ধৰণৰ ভাষা ব্যৱহাৰ কৰা বহুতো জনগোষ্ঠীক বুজাইছিল আৰু নিজকে 'আর্য' অর্থাৎ 'শ্রেষ্ঠ' বুলি দাবী কৰিছিল। আদিতে তেওঁলোকে এটা ভাষাই ব্যৱহাৰ কৰিছিল আৰু সেই ভাষাৰ পৰাই ইৰাণ, ইৰাক, ইউৰোপৰ ভাষা আৰু ভাৰতৰ বৈদিক সংস্কৃত ভাষা ওলাইছিল বুলি ঠাৰৰ কৰা হৈছে। কালক্ৰমত এই ভাষাবোৰ **ইন্দো-ইউৰোপীয়ান ভাষা গোষ্ঠী** হিচাপে জনাজাত হয়। সেয়ে এই গোষ্ঠীৰ অন্তৰ্ভুক্ত ভাষাবোৰৰ মাজত যথেষ্ট সাদৃশ্য থকা দেখা যায়। উদাহৰণ স্বৰূপে সংস্কৃত ভাষাৰ পিতৃ, মাতৃ, ভ্ৰাতৃৰ লগত ইংৰাজী ভাষাৰ ফাদাৰ, মাদাৰ, ব্ৰাদাৰ আদি কিছুমান শব্দৰ মিল আছে।

### আর্যসকলৰ উপাস্য দেৱতা ঃ

আদিতে আর্যসকলে প্ৰকৃতিৰ নানা ৰূপক বন্দনা কৰিছিল। ইন্দ্ৰ, বৰুণ, অগ্নি, বায়ু, সোম, ঊষা আদি দেৱ-দেৱীৰ কল্পনা কৰি যাগ-যজ্ঞৰ আয়োজন কৰিছিল। প্ৰতিগৰাকী দেৱতাক উদ্দেশ্য কৰি কিছুমান মন্ত্ৰ মৌখিকভাৱে গাইছিল। তেনে কল্পিত দেৱ-দেৱীৰ ভিতৰত **ইন্দ্ৰক শ্ৰেষ্ঠ** বুলি ধৰিছিল। ইন্দ্ৰক শক্তি, ঐশ্বৰ্য আৰু বীৰত্বৰ প্ৰতীক বুলি মানিছিল। তেনে মন্ত্ৰবোৰ বহুকাল ধৰি মৌখিকভাৱে চৰ্চা কৰি অহা হৈছিল। মুখে মুখে চলি অহা বাবে যাগ-যজ্ঞৰ সময়ত গোৱা এই মন্ত্ৰবোৰক **শ্ৰুতি** নামেৰেও জনা যায়।



*চিত্ৰ - ১ ঃ যজ্ঞৰ ছবি*

### বেদ ৰচনা ঃ

বহু বছৰ ধৰি চলি অহা শ্ৰুতিবোৰক সময়ত লিখিত ৰূপ দিয়া হয় আৰু গ্ৰন্থ আকাৰে উলিওৱা হয়। তেনে গ্ৰন্থকেই **বেদ** বোলা হয়। বেদ চাৰিখন— (১) **ঋক্‌বেদ**, (২) **সাম - বেদ**, (৩) **যজুৰ্বেদ** আৰু (৪) **অথৰ্ববেদ**। বেদক **সংহিতাও** বোলা হয়।

আর্যসকল সপ্তসিন্ধুত বসতি কৰা কালতেই ঋক্ সংহিতাৰ সৃষ্টি হৈছিল। পৰৱৰ্তী কালত আর্যসকলে গংগা উপত্যকাত বসতি স্থাপন কৰিবলৈ লয়। এই গোটেই অঞ্চলটোক **আৰ্যাৱৰ্ত** বোলে। আৰ্যাৱৰ্তত বসতি কৰা কালতে সামবেদ, যজুৰ্বেদ আৰু অথৰ্ববেদ ৰচিত হৈছিল। বেদৰ পিচত ব্ৰাহ্মণ, আৰণ্যক আৰু উপনিষদসমূহ ৰচনা কৰা হয়। এই সকলোবোৰকে মিলাই **বৈদিক সাহিত্য** বোলা হয়।

বেদ আদি প্ৰাচীন গ্ৰন্থবোৰৰ উপৰি আমাৰ দেশত **ৰামায়ণ** আৰু **মহাভাৰত** নামৰ দুখন মহাকাব্য ৰচিত হৈছিল। এই মহাকাব্য দুখনো আর্যসকলৰেই পৰৱৰ্তী কালৰ অৱদান বুলি ধৰা হয়। এই প্ৰাচীন সাহিত্যবোৰ অধ্যয়ন কৰিলে সেই যুগৰ সমাজ, অৰ্থনীতি, ৰাজনীতি, ধৰ্মীয় অৱস্থা, কলা-কৃষ্টি আদিৰ বহু সম্ভেদ পোৱা যায়।

### জীৱিকা ঃ

ইতিমধ্যে আমি গম পালো যে আর্যসকল মূলতঃ পশুপালক আছিল। গৰু, ভেড়া, ছাগলী আদি জন্তু পোহপাল কৰি

কৃপা বিচাৰি ব্ৰাহ্মণসকলে যাগ-যজ্ঞৰো ব্যাপক আয়োজন কৰিবলৈ আৰম্ভ কৰিলে। ক্ৰমান্বয়ে কৰ্ম অনুযায়া মানুহৰ বৰ্ণ বিভাজনো ঘটিল। সময়ত বৰ্ণ আৰু জাতিভেদ প্ৰথাৰ আৰম্ভ হৈছিল।

**মনত ৰাখিবলগীয়া কথা ঃ**

- বৈদিক যুগক দুটা ভাগত ভগোৱা হয় — (ক) ঋক্‌বৈদিক যুগ আৰু (খ) পৰৱৰ্তী বৈদিক যুগ।
- আজিৰ পৰা প্ৰায় ৩৫০০ বছৰ মান আগতে ভাৰতৰ উত্তৰ-পশ্চিম দিশৰ পৰা কিছুমান পশুপালকৰ দল ভাৰত উপ-মহাদেশত সোমাইছিল।
- নতুনকৈ অহা এই লোকসকলে সিন্ধু নদীৰ উপত্যকাত থকা গাঁওবোৰৰ আশে-পাশে বসতি আৰম্ভ কৰিছিল।
- এই লোকসকলে নিজকে 'আৰ্য' অৰ্থাৎ 'শ্ৰেষ্ঠ' বুলি পৰিচয় দিছিল।
- আৰ্যসকলৰ আদি বসতিস্থান হ'ল মধ্য এছিয়াৰ কৃষ্ণ সাগৰ আৰু কাস্পিয়ান সাগৰৰ মাজত থকা ভূ-ভাগ।
- সিন্ধু নদীৰ উপত্যকা অঞ্চল প্ৰাচীন কালত সপ্তসিন্ধু নামেৰে জনাজাত আছিল।
- সিন্ধু নদী আৰু ইয়াৰ ছখন উপনৈ লগলাগি সপ্তসিন্ধু নামেৰে পৰিচিত আছিল।
- আৰ্য শব্দই এটা গোষ্ঠীক নুবুজায়, বৰঞ্চ ই একে ধৰণৰ ভাষা ব্যৱহাৰ কৰা বিভিন্ন জনগোষ্ঠীক বুজাইছিল।
- আৰ্যসকলে প্ৰকৃতিৰ নানা ৰূপক বন্দনা কৰিছিল আৰু ইন্দ্ৰ, বৰুণ, অগ্নি, বায়ু, সোম, ঊষা আদি দেৱ-দেৱীক সন্তুষ্ট কৰিবলৈ যাগ-যজ্ঞ কৰিছিল।
- দেৱতাক সন্তুষ্ট কৰিবলৈ আৰ্যসকলে বিভিন্ন মন্ত্ৰ উচ্চাৰণ কৰিছিল। সেই মন্ত্ৰবোৰৰ পৰাই বেদৰ সৃষ্টি হয়।
- আদিতে মুখে মুখে চলি অহাৰ বাবে বেদৰ আন এটি নাম শ্ৰুতি। ইয়াক সংহিতা বুলিও জনা যায়।
- আৰ্যসকলৰ সমাজ জীৱনত পশুধনৰ যথেষ্ট গুৰুত্ব আছিল।
- পশুধনৰ ভিতৰত গৰু আছিল আৰ্যসকলৰ বাবে বেচা-কিনাৰ মাধ্যম আৰু প্ৰতিপত্তিৰ প্ৰতীক।
- আৰ্য সমাজত বয়োজ্যেষ্ঠ মানুহজনেই আছিল পৰিয়ালৰ মুৰব্বী আৰু তেওঁৰ নিৰ্দেশতেই ঘৰৰ কাম-কাজ পৰিচালিত হৈছিল।
- প্ৰাৰম্ভিক আৰ্য সমাজত নাৰীৰ স্থান উচ্চ আছিল।
- পৰৱৰ্তী বৈদিক যুগত আৰ্যসকলে গংগা উপত্যকাত বসতি বিস্তাৰ কৰে আৰু কৃষি কৰ্ম কৰিবলৈ ধৰে

**অনুশীলনী ঃ**

(১) উত্তৰ লিখা—

(ক) ভাৰতৰ কোন্ দিশৰ পৰা আৰ্যসকল ভাৰতৰ সপ্তসিন্ধু উপত্যকালৈ আহিছিল?

(খ) আৰ্যসকলৰ পূৰ্বপুৰুষসকল কোন অঞ্চলৰ অধিবাসী আছিল?

(গ) সিন্ধু উপত্যকাৰ সভ্যতা আৰু বৈদিক সভ্যতাৰ মাজৰ দুটা প্ৰধান পাৰ্থক্য দেখুওৱা।

(ঘ) চাৰিওখন বেদৰ ভিতৰত কোনখন প্ৰাচীনতম বেদ?

(ঙ) আৰ্যসকল গংগা উপত্যকালৈ কিয় আগবাঢ়ি গৈছিল?

(চ) বৈদিক যুগৰ দুগৰাকী বিদূষী নাৰীৰ নাম লিখা।

(ছ) আৰ্যসকল কোন ভাষিক গোষ্ঠীৰ মানুহ আছিল?

(জ) আৰ্যসকলে কিহক প্ৰধান সম্পদ হিচাপে গণ্য কৰিছিল?

(ঝ) আৰ্যসকলে ভাৰতত কোনবিধ ঘৰচীয়া জন্তুৰ প্ৰচলন কৰিছিল?

(২) শুদ্ধ-অশুদ্ধ নিৰ্ণয় কৰা—

(ক) বৈদিক যুগৰ আনুমানিক সময়সীমা খৃঃ পূঃ ১৫০০ ৰ পৰা খৃঃ পূঃ ১০০০ ৰ ভিতৰত পৰে।

(খ) ঋক্ বৈদিক যুগতে চাৰিওখন বেদ ৰচনা কৰা হৈছিল।

(গ) আৰ্যসকলৰ দিনত লোৰ প্ৰচলন আছিল।

(ঘ) সপ্তসিন্ধুৰ স্থানীয় লোকসকলক আৰ্যসকলে হেয় জ্ঞান কৰিছিল।

(ঙ) আৰ্যসকলৰ সময়ত সমাজত নাৰীৰ স্থান নিম্ন আছিল।

(৩) সিন্ধু নদী আৰু তাৰ উপনৈৰে সৈতে সপ্তসিন্ধু অঞ্চলৰ এখন মানচিত্ৰ অংকন কৰা।

(৪) সপ্তসিন্ধুৰ পৰা গংগা উপত্যকালৈ আৰ্যসকলৰ বসতি স্থানৰ এখন তালিকা বনোৱা।

***************